# REGIONAL NEWS UNIT
AKASHVANI, GUWAHATI
0000000000

**Date :** 24-May-2026
**Time :** 1845 HRS

## *Assamese Evening Bulletin*

———————————————————

### HEADLINES
::::::::::::::::::::

১।	নতুন দিল্লীত উচ্চ পদস্থ বিষয়াৰ সৈতে মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সন্দৰ্ভত পৰ্যালোচনা।

২।	ৰাজ্যৰ বিভিন্ন স্থানত আজি **ছানডেজ অন চাইকেল** শীৰ্ষক কাৰ্যসূচী উদযাপন।

৩।	কামৰূপ জিলাৰ পলাশবাৰী থানাৰ অন্তৰ্গত বজাৰাপাৰাত পথ দুৰ্ঘটনাত চাৰিজন লোক নিহত।

৪।	ধেমাজিৰ জোনাই প্ৰস্তাৱিত পবা অভয়াৰণ্যত বাঘৰ উপস্থিতি নিশ্চিত বন বিভাগৰ।

**আৰু**

৫।	আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজিৰ প্ৰথমখন খেলত মুম্বাই ইণ্ডিয়ানছক ৰাজস্থান ৰয়েলছৰ ২০৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ।

ooooo

মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই আজি নতুন দিল্লীত উচ্চ পদস্থ বিষয়াসকলৰ সৈতে ৰাজ্যত চলি থকা কেইবাটাও গুৰুত্বপূৰ্ণ প্ৰকল্প সন্দৰ্ভত পৰ্যালোচনা কৰে। এই প্ৰকল্পসমূহ সম্পূৰ্ণ হ'লে অসমৰ আন্ত-গাঁথনি, জনসেৱা আৰু সামগ্ৰিক বিকাশৰ ক্ষেত্ৰত অসমে নতুন গতিৰে বিকাশ লাভ কৰিব বুলিও তেওঁ উল্লেখ কৰে। ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰীগৰাকীয়ে পুৰা দিল্লীৰ এছ্ পি মাৰ্গত নিৰ্মিয়মান অসম ভৱনৰ নিৰ্মাণ কাৰ্য পৰিদৰ্শন কৰে। ড০ শৰ্মাই অসম ভৱনৰ কামৰ অগ্ৰগতিৰ খতিয়ান লোৱাৰ লগতে গুণগত মান বৰ্তাই নিৰ্ধাৰিত সময়ত কামখিনি সম্পূৰ্ণ কৰিবলৈ কৰ্তৃপক্ষক নিৰ্দেশ দিয়ে। পৰিদৰ্শনৰ কালছোৱাত মুখ্যমন্ত্ৰীৰ সৈতে অসম ভৱনৰ আৱাসী আয়ুক্ত কবিতা পদ্মনাভনো উপস্থিত থাকে। এই অসম ভৱনে ৰাষ্ট্ৰীয় ৰাজধানীলৈ যোৱা অসমৰ লোকসকলৰ বাবে উন্নত সুবিধা প্ৰদান কৰাৰ লগতে নতুন দিল্লীত ৰাজ্যখনৰ উপস্থিতিও শক্তিশালী কৰিব বুলি আশা কৰা হৈছে।

আমাৰ পূৰ্বৰ বাতৰিত উল্লেখ কৰা হৈছে যে, কালি মুখ্যমন্ত্ৰী ড০ শৰ্মাই নতুন দিল্লীত কেন্দ্ৰীয় বিত্ত মন্ত্ৰী নিৰ্মলা সীতাৰমণক সাক্ষাৎ কৰি ৰাজ্যৰ বিকাশ আৰু উন্নয়নৰ ৰূপৰেখা সন্দৰ্ভত বিতংকৈ আলোচনা কৰে। বিত্ত মন্ত্ৰীগৰাকীৰ চৰকাৰী বাসগৃহত অনুষ্ঠিত এই বৈঠকত মুখ্যমন্ত্ৰী ড০ শৰ্মাই বিগত পাঁচ বছৰত অসমলৈ

আগবঢ়োৱা নিৰৱচ্ছিন্ন সহযোগিতাৰ বাবে শ্ৰীমতী সীতাৰমণক ধন্যবাদ জ্ঞাপন কৰে। চৰকাৰী বিবৃতিত প্ৰকাশ পোৱা মতে আলোচনা কালত ৰাজ্যৰ অৰ্থনৈতিক বিকাশ, আন্তঃগাঁথনি, সম্প্ৰসাৰণ আৰু বিনিয়োগ সম্পৰ্কীয় বিভিন্ন দিশৰ বিষয়ে ড০ শৰ্মাই বিত্তমন্ত্ৰীগৰাকীক অগৱত কৰে। তেওঁ কয়, যে অসমৰ অৰ্থনীতি শক্তিশালী কৰাৰ বাবে তথা যোগাযোগ ব্যৱস্থা উন্নতি সাধনৰ উদ্দেশ্যে ৰাজ্য চৰকাৰে বৃহৎ পৰিসৰৰ আন্তঃগাঁথনি প্ৰকল্প, ঔদ্যোগীক বিনিয়োগ আৰু কল্যাণমূলক আঁচনি ৰূপায়ণ কৰি আহিছে। বৈঠকত ৰাজ্যৰ মুখ্য সচিব ড০ ৰবি কোটা আৰু মুখ্যমন্ত্ৰীৰ অতিৰিক্ত মুখ্য সচিব ড০ কে কে দ্বিবেদী উপস্থিত থাকে।

০০০০০

দেশৰ আন বিভিন্ন স্থানৰ লগতে অসমতো আজি **ছানডেজ অন চাইকেল** শীৰ্ষক কাৰ্যসূচী উদযাপন কৰা হয়। ভাৰতীয় প্ৰযুক্তিবিদ্যা প্ৰতিষ্ঠান— আই আই টি গুৱাহাটীত আজি ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ উদ্যোগত এই কাৰ্যসূচী ৰূপায়ন কৰা হয়। ২০৩০ বৰ্ষত দেশত হ'বলগীয়া কমনৱেল্থ গেমছ্‌ৰ লগত সংগতি ৰাখি সজাগতামূলক চাইকেল সমদল উলিওৱা হয়। উল্লেখযোগ্য যে আই আই টি গুৱাহাটীৰ পৰা উলিওৱা আজিৰ এই কাৰ্যসূচীত ৩৫০ গৰাকী চাইক্লিষ্টে অংশগ্ৰহণ কৰে। ফিট ইণ্ডিয়া **ছানডেজ অন চাইকেল**ৰ ৭৫ সংখ্যক এই বিশেষ সংস্কাৰণটো ফিটনেছ আৰু ক্ৰীড়াত অংশগ্ৰহণৰ প্ৰচাৰৰ বাবে দেশজুৰি উদযাপন কৰা হয়। আজিৰ এই কাৰ্যসূচী সমগ্ৰ দেশতে ৮ হাজাৰৰো অধিক স্থানত অনুষ্ঠিত হয়। আহমেদাবাদৰ লগতে ভাৰতীয় ক্ৰীড়া প্ৰাধিকৰণৰ সকলো আঞ্চলিক কেন্দ্ৰতে আজি কমনৱেলথ গেমছ্ শীৰ্ষক এখন বিশেষ প্ৰদৰ্শনীও অনুষ্ঠিত হয়।

আনহাতে অসম, মেঘালয় সীমান্তৱৰ্তী হেলিডেগঞ্জতো আজি Fit India World Cycle Day আৰু স্বচ্ছ ভাৰত স্বাস্থ্য ভাৰত শীৰ্ষক সজাগতা কাৰ্যসূচী ৰূপায়ন কৰা হয়। ১৮৩ নম্বৰ বি এছ্ বেটেলিয়নৰ উদ্যোগত হেলিডেগঞ্জ বি এছ্ এফ কেম্পৰ পৰা এই উপলক্ষে উলিওৱা চাইকেল সমদলত বহুসংখ্যক বি এছ্ এফ জোৱানে অংশগ্ৰহণ কৰে। হেলিডেগঞ্জ বজাৰ সংলগ্ন বিভিন্ন পথ অতিক্ৰম কৰা এই সমদলৰ জৰিয়তে স্বাস্থ্য সচেতনতা, শাৰীৰিক সক্ষমতা  বৃদ্ধি আৰু পৰিবেশৰ সুৰক্ষাৰ ক্ষেত্ৰত চাইকেল ব্যৱহাৰৰ গুৰুত্বৰ সন্দৰ্ভত জনসাধাৰণক সজাগ কৰা চেষ্টা কৰা হয়।

ইয়াৰ পাছতে, স্বচ্ছ ভাৰত, স্বাস্থ্য ভাৰত শীৰ্ষক সজাগতা পদযাত্ৰা উলিওৱা হয়। এই কাৰ্যসূচীত বি এছ্ এফৰ মহিলা জোৱানসকলেও অংশগ্ৰহণ কৰে।

০০০০০

কামৰূপ জিলাৰ পলাশবাৰী থানাৰ অন্তৰ্গত বজাৰাপাৰাত পথ দুৰ্ঘটনাত চাৰিজন লোক নিহত হয়। মিৰ্জা-পলাশবাৰী সংযোগী পথত এই দুৰ্ঘটনা সংঘটিত হয়। দুৰ্ঘটনা স্থলীত তিনিজন যুৱকৰ মৃত্যু হোৱাৰ লগতে গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত আন এজন যুৱকৰ মৃত্যু হয়। মৃত্যু হোৱা যুৱক কেইজনৰ ভিতৰত মাজিৰগাঁৱৰ বৰুৱাপাৰাৰ জ্যোতি কলিতা, ৰঙামাটি দোকানীপাৰাৰ নিখিল দাস, অৰ্ণৱ বৰ্মন আৰু আন এজন যুৱকৰ পৰিচয় বৰ্তমানলৈকে জানিব পৰা হোৱা নাই। আনহাতে আহত দিপাংকৰ কলিতা নামৰ এজন যুৱক গুৱাহাটী চিকিৎসা মহাবিদ্যালয়ত চিকিৎসাধীন হৈ আছে। দুৰ্ঘটনা সন্দৰ্ভত আমাৰ কামৰূপৰ সংবাদদাতা কৌশিক দাসে এইদৰে কয়-

*(বাইট)*

০০০০০

মটক ৰাজ্যৰ প্ৰতিষ্ঠাতা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ স্মৃতি দিৱস উপলক্ষে আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই শ্ৰদ্ধা নিবেদন কৰে। এটা বাৰ্তাত মুখ্যমন্ত্ৰী ড০ শৰ্মাই মটক জনগোষ্ঠীৰ অন্যতম শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ স্বদেশ প্ৰেম, অসাধাৰণ বীৰত্ব আৰু দূৰদৰ্শী নেতৃত্বৰ আদৰ্শৰে তৰুণ প্ৰজন্ম আগবাঢ়ি যাব বুলি আশা প্ৰকাশ কৰে।

অসমৰ ভূমিপুত্ৰসকলৰ মাজৰ অন্যতম খিলঞ্জীয়া জনগোষ্ঠী মটকসকলৰ শ্ৰেষ্ঠ ৰজা স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সোঁৱৰণত ৰাজ্য চৰকাৰৰ সাংস্কৃতিক পৰিক্ৰমা বিভাগৰ উদ্যোগত তিনিচুকীয়া জিলা প্ৰশাসনে ২২৪ সংখ্যক স্বৰ্গদেউ সৰ্বানন্দ সিংহ দিৱসৰ আয়োজন কৰা হয়। জিলাখনৰ পানীতোলা বালিজান যুৱসংঘৰ খেলপথাৰত হ'বলগীয়া এই অনুষ্ঠানত কেন্দ্ৰীয় বন্দৰ, জাহাজ চলাচল আৰু জলপথ বিভাগৰ মন্ত্ৰী সৰ্বানন্দ সোণোৱাল মুখ্য অতিথি হিচাপে উপস্থিত থাকে। কেন্দ্ৰীয় মন্ত্ৰীগৰাকীয়ে মটক ৰজা সৰ্বানন্দ সিংহৰ স্মৃতি দিৱসত শ্ৰদ্ধাঞ্জলি জ্ঞাপন কৰে। অসম তথা মটক সমাজৰ গৌৰৱময় ইতিহাসত স্বৰ্গদেউ সৰ্বানন্দ সিংহৰ সু-শাসন আৰু জনকল্যাণৰ বাবে আগবঢ়োৱা অৱদান সদায় স্মৰণীয় হৈ থাকিব বুলি তেওঁ উল্লেখ কৰে।

০০০০০

ধেমাজি জিলাৰ জোনাইৰ প্ৰস্তাৱিত পবা প্ৰস্তাৱিত অভয়াৰণ্যত বন বিভাগে বাঘৰ খোজ প্ৰত্যক্ষ কৰি বনাঞ্চলখনত বাঘৰ উপস্থিতি নিশ্চিত কৰিছে। শেহতীয়াকৈ অভয়াৰণ্যখনৰ বিভিন্ন স্থানত বাঘৰ খোজ প্ৰত্যক্ষ কৰি বনাঞ্চলখনত স্থানীয় ৰাইজৰ লগতে বন কৰ্মীসকলে কেইবাটাও বাঘৰ উপস্থিতি সন্দেহ কৰিছে। উল্লেখযোগ্য যে অভয়াৰণ্যখনত তিনিমাইল বীট খণ্ডত বনৰক্ষী তহলদাৰী দলে বাঘৰ খোজ চিহ্ন প্ৰত্যক্ষ কৰাৰ পৰিপ্ৰেক্ষিতত জোনাই বন বিভাগে স্থানীয় ৰাইজ আৰু পৰ্যটকসকলক সতৰ্ক হৈ থাকিবলৈ আহ্বান জনাইছে। বন বিভাগে কেইবাটাও প্ৰাপ্তবয়স্ক বাঘৰ লগতে পোৱালীৰ খোজৰ চিহ্নও দেখা পোৱা বুলি সংবাদ মাধ্যমক জানিবলৈ দিছে। তদুপৰি কিছুদিন পূৰ্বে বনাঞ্চলখনৰ কাষৰীয়া ঐৰামঘাট অঞ্চলৰ বিভিন্ন চৰ-চাপৰিত বাঘে আতংক সৃষ্টি কৰাৰ লগতে গোধনো নিধন কৰে বুলি বন বিভাগে জানিবলৈ দিয়ে।

০০০০০

ষোড়শ অসম বিধানসভাৰ প্ৰথমখন অধিৱেশনৰ কাৰ্যসূচী এদিনলৈ বৃদ্ধি কৰা হৈছে। পূৰ্বৰ নিৰ্ধাৰিত সূচী অনুসৰি বিধানসভাৰ অধিৱেশন ২১ৰ পৰা ২৬ মে'লৈ অনুষ্ঠিত হোৱাৰ কথা আছিল যদিও এতিয়া ২৭ মে'ত অন্ত পৰিব। বিধানসভাৰ অধ্যক্ষ ৰঞ্জিত কুমাৰ দাসৰ অধ্যক্ষতাত অনুষ্ঠিত কাৰ্য উপদেষ্টা সমিতিৰ বৈঠকত শাসক-বিৰোধী উভয় পক্ষৰ বিধায়কৰ উপস্থিতিত সদনৰ কামকাজ এদিনলৈ বৃদ্ধিৰ সিদ্ধান্ত গ্ৰহণ কৰা হয়। সদনত কাইলৈ ৰাজ্যপালৰ ভাষণৰ প্ৰতি ধন্যবাদসূচক প্ৰস্তাৱ সন্দৰ্ভত আলোচনা হ'ব আৰু মুখ্যমন্ত্ৰীয়ে ইয়াৰ উত্তৰ দিব। চৰকাৰে ২৬ মে'ত উমৈহতীয়া দেৱানীবিধি সম্পৰ্কীয় বিধেয়ক উত্থাপন কৰিব আৰু বিধেয়কখন সন্দৰ্ভত আলোচনা চলিব।

০০০০০

কোকৰাঝাৰ জিলাৰ ঢোলমাৰা লালকুৰা চাহ বাগিচাত দুই স্কুলীয়া ছাত্ৰীৰ কৰুণ মৃত্যু সন্দৰ্ভত জিলাখনৰ জ্যেষ্ঠ আৰক্ষী অধীক্ষকে সংবাদমেল সম্বোধন কৰে। তিদিন পূৰ্বে বাগিচাখনৰ এটা পুখুৰীৰ পৰা

দুগৰাকী ছাত্ৰীৰ মৃতদেহ উদ্ধাৰ হৈছিল। ছাত্ৰী দুগৰাকীৰ মৃত্যুত কোনো লোক জড়িত আছে বুলি পৰিয়ালৰ লগতে স্থানীয় গাঁওবাসীয়ে সন্দেহ প্ৰকাশ কৰি ঘটনাৰ উচ্চ পৰ্যায়ৰ তদন্তৰ লগতে পৰিয়ালটোক ন্যায় দিবলৈ দাবী জনায়। জ্যেষ্ঠ আৰক্ষী অধীক্ষকগৰাকীয়ে সংবাদমেল সম্বোধন কৰি এই তদন্ত অব্যাহত আছে বুলি উল্লেখ কৰাৰ লগতে ছাত্ৰী দুগৰাকীৰ মৃত্যু পানীত ডুবিয়ে হোৱা বুলি প্ৰাৰম্ভিক তদন্তত প্ৰকাশ কৰে।

***(বাইট)***

০০০০০

নলবাৰী জিলা পুথিভঁৰাল প্ৰেক্ষাগৃহত আজি আয়োজিত এটা অনুষ্ঠানত অসমৰ দুগৰাকী সংস্কৃত পণ্ডিত ড০ মুকুন্দকাম শৰ্মাক ন্যায় শিৰোমণি আৰু ড০ ৰাজেন্দ্ৰনাথ শৰ্মাক মীমাংসা কেশৰী উপাধিৰে বিভূষিত কৰা হয়। শতবৰ্ষ অতিক্ৰম কৰা নলবাৰীৰ কামৰূপ সংস্কৃত সঞ্জীৱনী সভাই পূৰ্বৰ পৰম্পৰা ৰক্ষা কৰি এইবাৰ অসমৰ এই দুগৰাকী বৰেণ্য সংস্কৃত পণ্ডিতক এই উপাধি প্ৰদান কৰে। উল্লেখযোগ্য যে এইবাৰ ন্যায় শিৰোমণি উপাধি প্ৰদান কৰা মুকুন্দৰাম শৰ্মা উচ্চতম ন্যায়ালয়ৰ প্ৰাক্তন ন্যায়াধীশ তথা শ্ৰী লাল বাহাদুৰ শাস্ত্ৰী কেন্দ্ৰীয় বিশ্ববিদ্যালয়ৰ পূৰ্বৰ কুলাধিপতি। আনহাতে, মীমাংসা উপাধি লাভ কৰা ড০ ৰাজেন্দ্ৰনাথ শৰ্মা গুৱাহাটী বিশ্ববিদ্যালয়ৰ সংস্কৃত বিভাগৰ প্ৰাক্তন মুৰব্বী অধ্যাপক আৰু ৰাষ্ট্ৰপতিৰ বিশেষ সন্মানপ্ৰাপ্ত। কামৰূপ সংস্কৃত সঞ্জীৱনী সভাৰ ৩৩ সংখ্যক ত্ৰিবাৰ্ষিক সভাৰ সৈতে সংগতি ৰাখি এই উপাধি প্ৰদন অনুষ্ঠানৰ আয়োজন কৰা হয়। এই অনুষ্ঠানতে সংস্কৃতি ভাষাৰ প্ৰচাৰ আৰু প্ৰসাৰৰ বাবে গৱেষণামূলক কৰ্মৰে ডক্টৰেট ডিগ্ৰী লাভ কৰা নলবাৰী জিলাৰ কেইবাগৰাকী গৱেষকক সম্বৰ্ধনা জনোৱা হয়।

০০০০০

তামুলপুৰ জিলাৰ ভাৰত-ভূটান সীমান্তৱৰ্তী বগাজুলিৰ দিলাইশ্ৰী বজাৰৰ সমীপত আজি আবেলি এটা পুৰণি মৰ্টাৰ ছেল বোমা উদ্ধাৰ হোৱাক কেন্দ্ৰ কৰি সমগ্ৰ অঞ্চলটোত তীব্ৰ চাঞ্চল্যৰ সৃষ্টি হৈছে। আৰক্ষী সূত্ৰই প্ৰকাশ কৰা মতে ভূটান পাহাৰৰ পৰা বৈ অহা নিজৰাৰ পাৰত স্থানীয় লোকে এই সন্দেহজনক সামগ্ৰীটো প্ৰত্যক্ষ কৰি সীমা সুৰক্ষা বলৰ চাউনীত খবৰ দিয়ে। ইয়াৰ পাছত ঘটনাস্থলীত আৰক্ষী আৰু এছ এছ বিৰ এটা দলে ক্ষীপ্ৰতাৰে মৰ্টাৰ ছেল বোমাটো উদ্ধাৰ কৰি নিৰাপদ স্থানলৈ লৈ যায়। পাছত বোমাটো সক্ৰিয় নহয় বুলি আৰক্ষীৰ সূত্ৰই প্ৰকাশ কৰে।

০০০০০

বজালী জিলাৰ পাটাছাৰকুছি শাখা সাহিত্য সভাৰ বিশেষ বাৰ্ষিক অধিবেশনখন আজি দিনজোৰা কাৰ্যসূচীৰে অনুষ্ঠিত কৰা হয়। এই উপলক্ষে পুৱা শাখা সাহিত্য সভাৰ কাৰ্যালয়ৰ বাকৰিত সভাপতি হৰ্ষমোহন শৰ্মাই পতাকা উত্তোলন কৰে। উপ-সভাপতি অপূৰ্ব কুমাৰ শৰ্মাই স্মৃতিতৰ্পন কাৰ্যসূচী মুকলি কৰাৰ পাছতেই অসম সাহিত্য সভাৰ স্থায়ী বিত্তীয় নিধিৰ আহ্বায়ক গোবিন্দ কলিতাই কেন্দ্ৰীয় সমিতিৰ পৰ্যবেক্ষক হিচাপে উপস্থিত থাকি সাহিত্য সভাৰ সাংগঠনিক দিশ সম্পৰ্কে বক্তব্য আগবঢ়ায়।

০০০০০

পাটাছাৰকুছি উন্নয়ন সমিতিৰ উদ্যোগত আজি পাটাছাৰকুছি শিৱ-দুৰ্গা ধামত এখন সম্বৰ্ধনা সভা অনুষ্ঠিত হয়। এই সভাত অসম বিধানসভা অধ্যক্ষ ৰণজিৎ কুমাৰ দাস, বজালী বিধানসভা সমষ্টিৰ বিধায়ক ধৰ্মেশ্বৰ ৰয়ৰ লগতে কেইবাগৰাকীও কৃতি ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। এই সভাত পাটাছাৰকুছিৰ শিৱধাম

পৰিচালনা সমিতি, পাটাছাৰকুছি পৌৰ সভা, প্ৰাগজ্যোতি ক্লাব, পাটাছাৰকুছি প্ৰেছ ক্লাব, গণেশ মন্দিৰ পৰিচালনা সমিতি, পাটাছাৰকুছি ৰঙালী বিহু উদযাপন সমিতি, পাটাছাৰকুছি চেম্বৰ অব কমাৰ্চৰ লগতে কেইবাটাও সংগঠনৰ সদস্য উপস্থিত থাকে আৰু সম্বৰ্ধনা জ্ঞাপন কৰে।

০০০০০

গুৱাহাটী উচ্চ ন্যায়ালয়ে জুবিন গাৰ্গৰ ৰহস্যজনক মৃত্যুৰ গোচৰৰ অভিযুক্ত শ্যামকানু মহন্তৰ জামিন আবেদনৰ কাইলৈ পৰৱৰ্তী শুনানি গ্ৰহণ কৰিব। ন্যায়াধীশ মিতালী ঠাকুৰীয়াৰ বিচাৰপীঠত অনুষ্ঠিত শুনানিত শুকুৰবাবে জ্যেষ্ঠ অধিবক্তা প্ৰাণ বৰাই অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ সপক্ষে যুক্তি প্ৰদৰ্শনৰ প্ৰক্ৰিয়া সম্পূৰ্ণ কৰে। কাইলৈ হ'বলগীয়া শুনানিত অসম চৰকাৰৰ হৈ মহাধিবক্তা দেৱজিৎ শইকীয়া আৰু জুবিন গাৰ্গৰ মৃত্যুৰ গোচৰৰ বিশেষ লোক অধিবক্তা জীয়াউল কামাৰে অভিযুক্ত শ্যামকানু মহন্তৰ জামিনৰ বিপক্ষে যুক্তি দৰ্শাব।

০০০০০

অসম সাহিত্য সভাৰ মুক্ত শিক্ষা সংসদৰ জালাহ কেন্দ্ৰৰ উদ্যোগত তথা বাক্সা জিলা সাহিত্য সভা আৰু জালাহ শাখা সাহিত্য সভাৰ সহযোগত অসম সাহত্যি সভাৰ জালাহ আঞ্চলিক কাৰ্যালয়ৰ প্ৰেক্ষাগৃহত আজি এখন শৈক্ষিক অভিৰ্ৰতন অনুষ্ঠিত হয়। ছাত্ৰ-ছাত্ৰীৰ শৈক্ষিক উত্তৰণৰ বাবে অনুষ্ঠিত এই অভিৰ্ৰতনখন বিধায়ক থানেশ্বৰ বসুমতাৰীয়ে উদ্বোধন কৰে। অসম সাহিত্য সভাৰ সভাপতি ড০ বসন্ত কুমাৰ গোস্বামী অভিৰ্ৰতনখনত মুখ্য অতিথি হিচাপে উপস্থিত থাকে। অনুষ্ঠানত মুক্ত শিক্ষা সংসদৰ জালাহ কেন্দ্ৰৰ শিক্ষক-শিক্ষয়িত্ৰী আৰু এই পাঠ্যক্ৰম প্ৰচলনত সহযোগিতা আগবঢ়োৱা ৮গৰাকী ব্যক্তিক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানৰ আৰম্ভণিতে বিশ্ববৰেণ্য শিল্পী ড০ ভূপেন হাজৰিকা আৰু শিল্পী জুবিন গাৰ্গৰ স্মৃতিচাৰণ সভা অনুষ্ঠিত কৰা হয়।

০০০০০

আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত আজি মুম্বাইৰ বাংখেড়ে ষ্টেডিয়ামত অনুষ্ঠিত প্ৰথমখন খেলত ৰাজস্থান ৰয়েলছে মুম্বাই ইণ্ডিয়ানছক জয়ৰ বাবে ২০৬ ৰানৰ লক্ষ্য নিৰ্ধাৰণ কৰি দিছে। প্ৰথমে বেট ধৰাৰ আমন্ত্ৰণ লাভ কৰি ৰাজস্থান ৰয়েলছে নিৰ্ধাৰিত অভাৰত ৮ টা উইকেট হেৰুৱাই ২০৫ ৰান সংগ্ৰহ কৰে। বাতৰি যুগুতোৱা পৰালৈকে মুম্বাই ইণ্ডিয়ানছে ১০ অভাৰত ৪ টা উইকেট হেৰুৱাই ৯০ ৰান সংগ্ৰহ কৰে।

ইপিনে, সন্ধিয়া চাৰে সাত বজাত হ'বলগীয়া দ্বিতীয়খন খেলত কলকাতাৰ ইডেন গাৰ্ডেনছত ডেলহি কেপিটেলছ কলকাতা নাইটৰাইডাৰ্ছৰ সন্মুখীন হ'ব।

০০০০০

সমাপ্ত